ADITYA BIRLA
UltraTech

Birla White
EVER-WHITE
WHITE CEMENT WASH

# বিৰ্লা হোৱাইট

## এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব

# শুভ্ৰতা অতুলনীয়,
# যায় বছৰ বছৰ ধৰি





# বিৰ্লা হোৱাইট এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব

বিৰ্লা হোৱাইট ‘এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব’ পোৱা যায় অত্যন্ত দীৰ্ঘস্থায়ী, অত্যুত্তমভাৱে উজ্জ্বল আৰু যথেষ্টভাৱে ধনৰাহিকাৰী ৱাল ফিনিছ আপোনালৈ আগবঢ়োৱাৰ প্ৰতিশ্ৰুতিৰ সৈতে। ই চিমেন্ট পেইন্ট্চৰ বাবে এটা প্ৰাইমাৰ কোট হোৱাৰ লগতে সকলো ধৰণৰ সূক্ষ্ম ফাট আৰু ফাঁক আদিৰ ক্ষেত্ৰত এবিধ সুদক্ষ ফিলাৰ ৰূপেও কাম কৰে। **বিৰ্লা হোৱাইট এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব** হ’ল একমাত্ৰ চিমেন্ট ৱাশ্ব যি সাধাৰণ হোৱাইট চিমেন্ট ৱাশ্ব / লাইম ৱাশ্বতকৈ বহু বেছি দিন যায় আৰু ইয়াক ব্যৱহাৰ কৰা উপৰিভাগলৈ অত্যুৎকৃষ্ট ফিনিছ আগবঢ়ায়।

বিৰ্লা হোৱাইট এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব হ’ল এনে এবিধ জঞ্জালবিহীন প্ৰডাক্ট যাক ব্ৰাছ বা স্প্ৰেৰ জৰিয়তে সহজে লগাব পাৰি, সেয়ে ইয়াক সৰু-সুৰা মিস্ত্ৰী / পেইন্টাৰ / ৰাজমিস্ত্ৰী আদিয়েও অনায়াসে ব্যৱহাৰ কৰিব পাৰি।

3 গুণ
অধিক শক্তি

অতুলনীয়
শুভ্ৰতা

ফাট নেমেলে
বখলা-বখল নহয়

## প্ৰয়োগ কৰাৰ ঠাই:

- নতুন চিমেন্ট প্লাষ্টাৰ দেৱাল (ভিতৰৰ বা বাহিৰৰ)
- আৰচিচি / কংক্ৰীটৰ উপৰিভাগ



## বিষেশত্ব আৰু লাভসমূহ:

- সৰু গাঁত / ছিদ্ৰ, সূক্ষ্ম ফাট আৰু ফাঁক আদি পূৰাই দিয়ে
- উৎকৃষ্ট বগা ফিনিছ
- স্মূদ মেট ফিনিছ
- সেমেকা / আৰ্দ্ৰ উপৰিভাগতো প্ৰয়োগ কৰিব পাৰি
- উপৰিভাগে পায় অতিৰিক্ত শক্তি
- এৰাই নাযায়, বখলা-বখল নহয় বা বৈ নাযায়
- 3 বছৰলৈকে দীৰ্ঘস্থায়ী

## প্ৰয়োজনীয় আহিলা-পাতি

- একে সমান মিশ্ৰণ বনাবৰ বাবে মেকানিকেল ষ্টিৰাৰ্চ ব্যৱহাৰ কৰা উচিত
- লগোৱাৰ বাবে পেইন্টিং ব্ৰাছ / ৰোলাৰ ব্যৱহাৰ কৰা উচিত

## তলৰ উপৰিভাগৰ প্ৰস্তুতি

- এমাৰী / বালিকাগজ, ব্লেড বা তাঁৰৰ ব্ৰাছ আদিৰ সহায়ত, উপৰিভাগ / দেৱালত লাগি থকা বা ওলমি সকলো সামগ্ৰী, ধূলি-মলি আৰু তেল-চিকটি আদি দূৰ কৰিব।

## তলৰ উপৰিভাগ আগতেই তিয়াই লব

- বিৰ্‌লা হোৱাইট এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব ব্যৱহাৰ কৰাৰ আগতে ইয়াৰ তলৰ উপৰিভাগ তিয়াই লোৱাটো হ'ল এটা গুৰুত্বপূৰ্ণ পদক্ষেপ, ইয়াৰ ফলত বেছি ভাল কৰ্মদক্ষতা, কভাৰেজ আৰু আঠা লাগি ধৰাৰ উচ্চ শক্তি পোৱা যায়। উপৰিভাগ তিওৱাৰ কাম ব্ৰাছ, হোচ পাইপ স্প্ৰে আৰু লগতে মগ বা টেমাৰে পানী ছটিয়াইও কৰিব পৰা যায়। ইয়াক ব্যৱহাৰ কৰাৰ আগতে উপৰিভাগ তিতি থকা অতি লাগতিয়াল।

## ‘বিৰ্লা হোৱাইট এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব’-ৰ মিশ্ৰণ তৈয়াৰ



- মিশ্ৰণ অনুপাত (1:1.2) ঃ একে সমান গাঢ়তাৰ পেষ্ট বনোৱাৰ বাবে 1 কিলো ‘‘বিৰ্লা হোৱাইট এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব’’ 120% পৰিস্কাৰ পানী (1 কিলো এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব + 1200 মিলি পানী)-ৰ সৈতে লাহে লাহে মিহলাব।
- গাঢ় পেষ্ট বনোৱাৰ বাবে মিশ্ৰণৰ কাম পৰাপক্ষত মেকানিকেল ষ্টিৰাৰৰে কৰিলে (3-5 মিনিট) বেছি ভাল / হাতেৰে 10-12 মিনিট সময় লৈ মিহলাব। প্ৰস্তুত কৰাৰ পিছত পেষ্ট 1.5-2.0 ঘন্টাৰ ভিতৰতে ব্যৱহাৰ কৰা উচিত।

## উপৰিভাগত প্ৰয়োগ





- ভালকৈ মিহলাই লোৱাৰ পিছত, এডাল পেইন্টিং ব্ৰাছ (4 বা 5 ইঞ্চিৰ) / যথোপযুক্ত ৰোলাৰৰ সহায়ত ‘বিৰ্লা হোৱাইট এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব’ সেমেকা / তিতি থকা দেৱাল / উপৰিভাগত একে সমানভাৱে লগাব।
- সৰ্বোত্তম পৰিণাম লাভ কৰিবলৈ, প্ৰত্যেকটো কোট লগোৱাৰ পিছত উপৰিভাগক 6-8 ঘন্টালৈকে শুকাবলৈ দিব, তাৰপিছত উপৰিভাগক সঠিকভাৱে শোধন কৰিবলৈ উপৰিভাগত পানীৰ স্প্ৰে কৰিব। দ্বিতীয় কোট লগোৱাৰ আগতে উপৰিভাগক 24 ঘন্টা ধৰি বা অতি কমেও গোটেই ৰাতিটো ধৰি শুকাবলৈ দিব।
- গোটেই ৰাতি শুকোৱাৰ পিছত, দ্বিতীয় কোটটো লগাব। উপৰিভাগৰ ভাল ফিনিছৰ বাবে দুটা কোট লগালেই যথেষ্ট।
- শেষৰ কোটটো লগোৱাৰ পিছত, অতি কমেও 3-5 দিন ধৰি (বতৰৰ অৱস্থা অনুযায়ী 2-3 বাৰকৈ) পানীৰে শোধন কৰা আৱশ্যক।
- কেৱল পথালিকৈ লৈহে ব্ৰাছডাল ব্যৱহাৰ কৰা উচিত। ইয়াৰ ফলত উপৰিভাগত বেছি ভাল ফিনিছ পোৱা যাব আৰু ব্ৰাছৰ পৰা লগা দাগো অতি কম হ’ব।

## কাৰিকৰী মানদণ্ডসমূহ

| ক্ৰমাঙ্ক | কাৰিকৰী মানদণ্ডসমূহ | বিনির্ধাৰণ | পৰীক্ষণ পদ্ধতি |
|---|---|---|---|
| 1. | কভাৰেজ (বৰ্গ ফুট / কিলো / দুটা কোট)<br>[ অত্যুত্তম মিহি উপৰিভাগত ]* | 38-42 | ঘৰুৱা |
| 2. | সতেজ হৈ ৰোৱাৰ সময় (ঘন্টা) | 1.5-2.0 | ঘৰুৱা |
| 3. | শুকোৱাৰ সময় @ 25±2 °C<br>-টাচ্চ ড্ৰাই<br>-হাৰ্ড ড্ৰাহ | <br>সৰ্বোচ্চ 1 ঘন্টা<br>সৰ্বনিম্ন 6 ঘন্টা | <br>ঘৰুৱা<br>ঘৰুৱা |
| 4. | VOC ভিঅ'চি (মিগ্ৰা / কিলো) | শূন্য | ASTM 6886 |
| 5. | বাল্ক ডেন্সিটী (গ্ৰাম / চেমি3) | 0.90-1.0 | ঘৰুৱা |

*এই মাত্ৰা মিহি উপৰিভাগৰ বাবেহে, কিন্তু উপৰিভাগৰ গঠনশৈলী অনুযায়ী ইয়াৰ পৰিবৰ্তন ঘটিব পাৰে।

## সতৰ্কতাসমূহ:

- ✔ মিশ্ৰণ বনোৱাৰ সময়ত, এই প্ৰডাক্ট বিৰ্‌লা হোৱাইট এভাৰ-হোৱাইট চিমেন্ট ৱাশ্বকহে পানীত যোগ দিয়া উচিত, তাৰ ওলোটাটো কৰা উচিত নহয়।
- ✔ মিশ্ৰণ বনোৱাৰ সময়ত, একেৰাহে লৰাই থাকিব।
- ✔ সম্পূৰ্ণৰূপে সাজু কৰি লোৱা উপৰিভাগতহে বিৰ্‌লা হোৱাইট এভাৰ-হোৱাইট চিমেন্ট ৱাশ্ব ব্যৱহাৰ কৰিব।
- ✔ কেৱল এনে সীমিত পৰিমাণতহে মিশ্ৰণ তৈয়াৰ কৰি লব, যাক 2 ঘন্টাতকৈ কম সময়ৰ ভিতৰতে ব্যৱহাৰ কৰিব পৰা যাব, যাতে ব্যৱহাৰ কৰাৰ আগতেই মিশ্ৰণখিনি গোট মাৰি নাযায়।
- ✔ অত্যধিকভাৱে শোষণ কৰা উপৰিভাগৰ ক্ষেত্ৰত, ফিনিছ কোটক পাতল কৰি লব।
- ✔ এভাৰ-হোৱাইট চিমেন্ট ৱাশ্বৰ দুটা কোট ব্যৱহাৰ কৰাৰ মাজত 24 ঘন্টা সময়ৰ ব্যৱধান ৰাখিবলৈ পৰামৰ্শ আগবঢ়োৱা হ'ল।
- ✔ ব্যৱহাৰ কৰাৰ আগতে পেণ্টখিনি লৰাই থাকিব। একে সমান মিশ্ৰণ প্ৰস্তুত কৰাৰ বাবে মেকানিকেল ষ্টিৰাৰ ব্যৱহাৰ কৰা আটাইতকৈ ভাল।
- ✘ এই প্ৰডাক্টবিধ পোনপটীয়া ৰ'দত ব্যৱহাৰ নকৰিব, যিহেতু এনে অৱস্থাত চিমেন্ট সোনকালে শুকাই যাব আৰু উপৰিভাগত ব্ৰাছৰ দাগ ৰৈ যাব পাৰে।

**আল্ট্ৰাটেক চিমেন্ট লিমিটেড (ইউনিট বিৰ্লা হোৱাইট)**

৯ম মহলা, বিৰ্লা চেঞ্চুৰিয়ান, পাণ্ডুৰং বুধকাৰ মাৰ্গ, ৱৰ্লি, মুম্বাই ঃ 400030

টেলিফোন বোৰ্ড নম্বৰ ঃ 022-68540444/50365111

ৱেবচাইট: www.birlawhite.com | টʼল ফ্ৰী নং : 1800 11 1717

www.facebook.com/BirlaWhiteCement | twitter.com/BirlaWhite

bw-consumercare@adityabirla.com